# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০

১। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে পঞ্জাৱৰ মোহালিত আজি ৰাষ্ট্ৰীয় কৃষি খাদ্য আৰু জৈৱ নিৰ্মাণ সংস্থানত উদ্যমিতা আৰু কৌশল বিকাশ কাৰ্যক্ৰম চৌহদ মুকলি কৰে।

২। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি মুম্বাইত ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগখণ্ডৰ বাবে উমৈহতীয়া ঋণ নিশ্চয়তা আঁচনিৰ শুভাৰম্ভ কৰে।

৩। কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে চলিত বৰ্ষৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱা সন্দৰ্ভত সামাজিক মাধ্যমত প্ৰচাৰিত অভিযোগ খণ্ডন কৰিছে।

৪। কংগ্ৰেছৰ বৈদেশিক শাখাৰ সভাপতি চেম পিট্ৰোডাই চীন সম্পৰ্কত কৰা এটা বিতৰ্কিত মন্তব্যই দেশৰ পৰিচয়, সাৰ্বভৌমত্ব আৰু কূটনৈতিক বিচক্ষণতাত আঘাত হানিছে বুলি ভাৰতীয় জনতা পাৰ্টীয়ে অভিযোগ কৰিছে। ***আৰু***

৫। চেন্নাইৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত কাইলৈ ত্ৰয়োবিংশ ৰাষ্ট্ৰীয় পেৰা এথলেটিক্স চেম্পিয়নশ্বিপ আৰম্ভ হ'ব।

০০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে পঞ্জাৱৰ মোহালিত আজি ৰাষ্ট্ৰীয় কৃষি খাদ্য আৰু জৈৱ নিৰ্মাণ সংস্থানত উদ্যমিতা আৰু কৌশল বিকাশ কাৰ্যক্ৰম পৰিসৰৰ শুভ উদ্বোধন কৰে। দেশবাসীৰ প্ৰতি ৰাষ্ট্ৰ প্ৰথম আদৰ্শত আস্থা ৰাখিবলৈ আহ্বান জনাই শ্ৰীধনখড়ে ৰাষ্ট্ৰৰ কল্যাণ সকলো ধৰণৰ ব্যক্তিগত আৰু ৰাজনৈতিক কল্যাণৰ উৰ্ধত বুলি মন্তব্য কৰে। শ্ৰীধনখড়ে কয়, যে বিকশিত ভাৰত এতিয়া কেৱল সপোনেই নহয় বৰঞ্চ এয়া আমাৰ লক্ষ্য। কৃষি আৰু দুগ্ধ উৎপাদনৰ জৰিয়তে গ্ৰামীন অৰ্থব্যৱস্থাক পুনৰ উজ্জীৱিত কৰাৰ বাবে মন্ত্ৰীগৰাকীয়ে আহ্বান জনোৱাৰ লগতে কৃষি পদ্ধতিত প্ৰদ্যোগিকীক অন্তৰ্ভুক্ত কৰাৰ বাবে তেওঁ গুৰুত্ব প্ৰদান কৰে।

০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি মুম্বাইত ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগখণ্ডৰ বাবে উমৈহতীয়া ঋণ নিশ্চয়তা আঁচনিৰ শুভাৰম্ভ কৰে। বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ ফলত যোৱা ৩ খন বাজেটত গুৰুত্ব আৰোপ কৰা ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগখণ্ডসমূহৰ উত্থান সম্ভৱ হ'ব। এই আঁচনিখনৰ জৰিয়তে

বন্ধকী অবিহনে যন্ত্ৰপাতি বা সঁজুলি ক্ৰয়ৰ বাবে ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক এশ কোটি টকা পৰ্যন্ত ঋণৰ সুবিধা প্ৰদান কৰা হ'ব। ভাল লাভ আশা কৰা বিনিয়োগকাৰীসকলক ভাৰতে উপযুক্ত লাভ প্ৰদান কৰাৰ ওপৰত বিত্তমন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে। এটা প্ৰশ্নৰ উত্তৰত তেওঁ কয়, যে ভাৰতত এতিয়া এনে এটা অৰ্থনৈতিক পৰিবেশতন্ত্ৰ আছে য'ত বিনিয়োগৰ পৰা প্ৰত্যাশিত লাভাংশ আহিছে। তেওঁ লগতে কয়, যে চৰকাৰে অনুকুল নীতিৰ জৰিয়তে প্ৰতিৰক্ষা উৎপাদন খণ্ডক সহায় কৰিছে। ইয়াৰ ফলত ভাৰতৰ প্ৰতিৰক্ষা ৰপ্তানী ২৪ হাজাৰ কোটি টকাৰো অধিকলৈ বৃদ্ধি পাইছে আৰু মহাৰাষ্ট্ৰ প্ৰতিৰক্ষা উৎপাদন কেন্দ্ৰ হিচাপে বিকশিত হৈছে।

০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে চলিত বৰ্ষৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱা সন্দৰ্ভত সামাজিক মাধ্যমত প্ৰচাৰিত অভিযোগ খণ্ডন কৰিছে। একাংশ লোকে অসৎ উদ্দেশ্যৰে প্ৰশ্নকাকত ফাদিল হোৱা সন্দৰ্ভত উৰাবাতৰি প্ৰচাৰ কৰি থকা বুলি পৰিষদে প্ৰকাশ কৰিছে। এই অভিযোগ সমূহ ভিত্তিহীন আৰু ইয়াৰ উদ্দেশ্য পৰীক্ষাৰ্থী তথা তেওঁলোকৰ অভিভাৱকসকলৰ মনত ভয় আৰু উৎকণ্ঠা সৃষ্টিৰ উদ্দেশ্যেৰে এইধৰণৰ উৰাবাতৰি প্ৰচাৰ কৰা হৈছে বুলি পৰিষদে মন্তব্য কৰে। পৰিষদৰ বিষয়ববীয়াই পৰীক্ষাৰ সৈতে জড়িত সকলো ব্যৱস্থাৰ অহৰহ পৰ্যবেক্ষণ কৰি আছে আৰু ভুল তথ্য প্ৰচাৰৰ বাবে জগৰীয়া লোকৰ বিৰুদ্ধে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি পৰিষদে জানিবলৈ দিয়ে। পৰিষদে লগতে অভিভাৱকসকলক এই ধৰণৰ উৰাবাতৰি বিশ্বাস নকৰিবলৈ আহ্বান জনায়। পৰীক্ষা সম্বন্ধীয় সকলো ধৰণৰ তথ্য পৰিষদৰ ৱেৱছাইট www.cbse.gov.in ত উপলব্ধ বুলিও পৰিষদে পৰীক্ষাৰ্থী, অভিভাৱক আৰু বিদ্যালয়সমূহক আশ্বস্ত কৰে।

০০০০

কোকৰাঝাৰৰ বিটিচিৰ বিধায়িনী ভৱনত আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে অসম বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী আৰম্ভ হয়। ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত ৰাজ্যৰ অৰ্থনৈতিক বিকাশ, কল্যাণমূলক আঁচনি তথা সম্প্ৰতি ৰাজ্যখনে বিভিন্ন ক্ষেত্ৰত লাভ কৰা সাফল্যৰ বিষয়ত আলোকপাত কৰে। তেওঁ কয়, যে অসমে গুজৰাটৰ সমানে দেশৰ ছেমি কণ্ডাক্টৰ উদ্যোগত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ দিশে অগ্ৰসৰ হৈছে।

ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত অসমীয়া ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ মৰ্যাদা, চৰাইদেউ মৈদামলৈ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি আদি বিভিন্ন প্ৰসংগ উল্লেখ কৰে। অভিলেখ সৃষ্টিৰ উদ্দেশ্যে অহা ২৪ ফেব্ৰুৱাৰীত আয়োজন কৰা ঝুমুৰ নৃত্যৰ বিশেষ অনুষ্ঠানটোৰ বিষয়ে উল্লেখ কৰি তেওঁ এই অনুষ্ঠানে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনক অধিক সমৃদ্ধ কৰিব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে বাজেট অধিৱেশনৰ বাকী কেইদিনৰ কাৰ্যসূচী গুৱাহাটীৰ অসম বিধানসভা ভৱনত অনুষ্ঠিত হ'ব।

০০০০

গ্ৰামীন উন্নয়ন মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় গ্ৰামীন উন্নয়ন আৰু পুনৰ নিৰ্মাণ অভিযান NRDRM এ তেওঁলোকৰ উদ্যোগত দুটা বিশেষ নিযুক্তি প্ৰক্ৰিয়া চলাই থকাৰ কথা অস্বীকাৰ কৰিছে। মন্ত্ৰালয়ে জনাই যে, এন আৰ ডি আৰ এমে মন্ত্ৰালয়ৰ তত্বাৱধানত কাম নকৰে। মন্ত্ৰালয়ে লগতে এন আৰ ডি আৰ এমে www.nrdrm.com আৰু www.nrdrmvacancy.com এই দুটা ৱেৱছাইটৰ জৰিয়তে চাকৰিৰ ভুৱা বিজ্ঞাপন প্ৰচাৰ কৰা হৈছে বুলি

উল্লেখ কৰে। মন্ত্ৰালয়ে  এন আৰ ডি আৰ এমৰ তত্বাৱধানত প্ৰচাৰিত এনে ভুৱা বিজ্ঞাপনত ভোল নাযাবলৈ সাধাৰণ জনতাক আহ্বান জনাইছে।

০০০০

কংগ্ৰেছৰ বৈদেশিক শাখাৰ সভাপতি চেম পিট্ৰোডাই চীন সম্পৰ্কত কৰা এটা বিতৰ্কিত মন্তব্যই দেশৰ পৰিচয়, সাৰ্বভৌমত্ব আৰু কূটনৈতিক বিচক্ষণতাত আঘাত হানিছে বুলি ভাৰতীয় জনতা পাৰ্টীয়ে অভিযোগ কৰিছে। আজি নতুন দিল্লীত দলটোৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে এখন সংবাদমেলত অভিযোগ কৰি কয়, যে যিসময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে বিশ্বত এটা নতুন শক্তি আৰু প্ৰভাৱশালী দেশ হিচাপে পৰিচিতি লাভ কৰিছে, সেই সময়ত এনে ধৰণৰ দায়িত্বহীন মন্তব্যই সমগ্ৰ দেশবাসীক লজ্জিত কৰিছে।  ত্ৰিবেদীয়ে এনেধৰণৰ দায়িত্ব জ্ঞানহীন মন্তব্য কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়েও সাম্প্ৰতিক সময়ত কৰা বুলি অভিযোগ কৰে। তেওঁ অভিযোগ কৰি কয়, যে চেম পিট্ৰোডাৰ মন্তব্যই গালৱান উপত্যকাত ভাৰত আৰু চীনৰ সেনাবাহিনীৰ মাজত সংঘটিত হতাহতিত নিহত ভাৰতীয় সৈন্যসকলৰ প্ৰতি চৰম অপমানজনক। ইপিনে, কংগ্ৰেছ দলে চেম পিট্ৰোডাই চীন সম্পৰ্কত কৰা মন্তব্য কংগ্ৰেছ দলৰ মন্তব্য নহয় বুলি স্পষ্ট কৰি দিছে। দলটোৰ নেতা জয়ৰাম ৰমেশে কয়, যে ভাৰতীয় জাতীয় কংগ্ৰেছে চীন দেশক এতিয়াও দেশৰ নিৰাপত্তাৰ ক্ষেত্ৰত ভাবুকি বুলি গণ্য কৰে আৰু দেশৰ বৈদেশিক নীতি আৰু অৰ্থনৈতিক প্ৰগতিৰ ক্ষেত্ৰত চীন দেশক প্ৰধান অন্তৰায় বুলি এতিয়াও গণ্য কৰে।

০০০০

নতুন দিল্লীত আজি সীমান্ত সুৰক্ষা বাহিনী - বি এছ এফৰ উদ্যোগত ভাৰত আৰু বাংলাদেশৰ মাজত ৫৫ সংখ্যক সঞ্চালক পৰ্যায়ৰ সীমা সহযোগিতা সন্মিলন আৰম্ভ হৈছে।

ভাৰতৰ সীমান্ত সুৰক্ষা বাহিনী আৰু বাংলাদেশৰ সীমান্তৰক্ষী বি জি বিৰ মাজত অহা ২০ ফেব্ৰুৱাৰীলৈ  এই সন্মিলন অব্যাহত থাকিব। বি এছ এফৰ সঞ্চালক প্ৰধান দলজিৎ সিং চৌধাৰীৰ নেতৃত্বত ভাৰতৰ বি এছ এফৰ প্ৰতিনিধি দলে বি জি বিৰ সঞ্চালক প্ৰধান মেজৰ জেনেৰেল মহম্মদ আশ্ৰাফুজামান চিদ্দিকিৰ নেতৃত্বত অহা বি জি বিৰ প্ৰতিনিধি দলৰ সৈতে সীমান্ত সম্পৰ্কীয় বিষয়সমূহ আলোচনা কৰিব। ইয়াৰ লগতে এই সন্মিলনত দুয়ো দেশৰ সীমান্তৰক্ষী বাহিনীৰ মাজত সহযোগিতা উন্নত কৰা বিষয়ত গুৰুত্ব আৰোপ কৰা হ'ব। এই সন্মিলনতে বাংলাদেশৰ দুৰ্বৃত্তই বি এছ এফৰ জোৱান আৰু ভাৰতীয় নাগৰিকক কৰা আক্ৰমণ প্ৰতিৰোধ, সীমাৰ সিপাৰৰ অপৰাধ প্ৰতিৰোধৰ লগতে অন্যান্য বিষয়সমূহৰ সন্দৰ্ভত আলোচনা কৰা হ'ব।

০০০০

দেশজুৰি আজিৰে পৰা ফাষ্টটেগৰ নতুন কৰ নীতি কাৰ্যকৰী হৈছে। নেচনেল পেমেণ্টছ কৰ্পৰেচন অৱ ইণ্ডিয়া আৰু পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে টোলগে'টসমূহত যান-বাহনৰ কৰ সংগ্ৰহ ব্যৱস্থাৰ ক্ষেত্ৰত আজিৰে পৰা কিছু সালসলনি কৰিছে। সেই অনুসৰি কৰ সংগ্ৰহৰ বৈদ্যুতিন ব্যৱস্থাৰ ফাষ্টটেগত নিৰ্দিষ্ট পৰিমাণতকৈ কম ধনৰাশি থাকিলে, লেনদেনত বিলম্ব হ'লে নতুবা টেগসমূহ নিষ্ক্ৰিয় হৈ থাকিলে অতিৰিক্ত কৰ আদায় কৰা হ'ব। তদুপৰি টোলগে'ট পাৰ হোৱাৰ এঘণ্টা পূৰ্বে আৰু পাৰ হোৱাৰ ১০ মিনিট পাছত ফাষ্টটেগ নিষ্ক্ৰিয় হৈ থাকিলেও ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰা হৈছে।

০০০০

ভাৰতে ৰকেট ইঞ্জিনত ব্যৱহাৰৰ বাবে ১০ টন গোটা ইন্ধন বিশিষ্ট ৰকেট ইঞ্জিন উদ্ভাৱন কৰিছে। গোটা আৰু জুলীয়া এই মিশ্রণ ইছ্‌ৰ'ৰ সতীশ ধাৱন মহাকাশ কেন্দ্রক আৰু বেংগালুৰুৰ কেন্দ্রীয় উৎপাদন প্রযুক্তি প্রতিষ্ঠানৰ যৌথ উদ্যোগত প্রস্তুত কৰা হৈছে। ইছ্‌ৰ'য়ে ইয়াক মহাকাশ আত্মনির্ভৰ ভাৰত পদক্ষেপৰ অধীনত মহাকাশ প্রযুক্তিৰ ক্ষেত্রত ভাৰতৰ ক্রমবৰ্ধমান আত্মনির্ভৰশীলতাৰ প্রতীক বুলি অভিহিত কৰিছে।

০০০০

চেন্নাইৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত কাইলৈ ত্রয়োবিংশ ৰাষ্ট্রীয় পেৰা এথলেটিক্স চেম্পিয়নশ্বিপ আৰম্ভ হ'ব। এইবাৰৰ প্রতিযোগিতাত দেশৰ বিভিন্ন প্রান্তৰ প্রায় এহেজাৰ ৫০০ পেৰা এথলীটে ১৫৫ টা শিতানত প্রতিদ্বন্দিতা আগবঢ়াব। দেশৰ কেইবাগৰাকীও তাৰকা পেৰা এথলীটে প্রতিযোগিতাত নিজৰ অংশগ্রহণ সুনিশ্চিত কৰিছে। তেওঁলোকৰ ভিতৰত জেভেলিনত সুমিত অন্তিল আৰু নৱদীপ সিং, হুইল চেয়াৰ ৰেছিঙত মনোজ চাবাপাথি, শ্বটপুটত মনোজ শিংগৰাজ, মুথুৰাজা আৰু হোকাতো চেমা, হাইজাম্পত মাৰিয়াপ্পান থাংগাৱেলু আৰু ডিচকাচ থ্রোত য়োগেশ কথুনিয়া অন্যতম।

০০০০

মহিলা প্রিমিয়াৰ লীগ ক্রিকেট প্রতিযোগিতাৰ এখন খেলত আজি দেলহী কেপিটেলছ - ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীর্ণ হ'ব। বডোডৰাৰ কোটাম্বি ষ্টেডিয়ামত খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। কালি নিশা একেখন ষ্টেডিয়ামতে অনুষ্ঠিত এখন খেলত গুজৰাট জায়েণ্টছে - ইউ পি ৱাৰিয়ৰ্ছক ৬ উইকেট পৰাস্ত কৰে। উল্লেখযোগ্য যে মহিলা প্রিমিয়াৰ লীগৰ এইবাৰৰ সংস্কৰণত অসমৰ উমা চেত্রীয়ে ইউ পি ৱাৰিয়ৰ্ছ আৰু জিণ্টিমণি কলিতাই মুম্বাই ইণ্ডিয়ানছৰ হৈ খেলিছে। যোৱা ১৪ ফেব্রুৱাৰীত আৰম্ভ হোৱা মহিলা প্রিমিয়াৰ লীগৰ চূড়ান্ত খেলখন অহা ১৫ মাৰ্চত মুম্বাইৰ ব্রবর্ণ ষ্টেডিয়ামত খেলোৱা হ'ব।

০০০০

সমাপ্ত